# খহি পৰা তৰাবোৰ

## জীৱন বাটৰ কেইটিমান পৰিচিত দৃশ্যক্ৰম

জিতুমণি পাঠক

### ঘটনাক্ৰম ঃ এক

বনভোজ থলীত সচৰাচৰ যিবোৰ দৃশ্য প্ৰত্যক্ষ কৰা যায়, ইয়াতো তেনে কোনো ব্যতিক্ৰম নাছিল। চাৰিওফালৰ পৰা ভাহি অহা সংগীতৰ লহৰে ইয়াৰ মাধুৰ্যৰ সলনি সৃষ্টি কৰিছিল কোলাহলৰ। প্ৰকৃতিৰ মাজলৈ ঘূৰি যোৱাৰ মানৱৰ যি প্ৰবৃত্তিগত তাড়না, তাৰ আংশিক দিঠকতাই বহুতৰ মাজত সৃষ্টি কৰিছিল কৃত্ৰিমতা বৰ্জিত এক স্বাভাৱিক স্বাচ্ছন্দ্যৰ। কোনো কোনো ঠাইত সেই মুক্ততাই সীমা অতিক্ৰমি বন্যতাৰ ৰূপো লৈছিল। আমাৰ কাষতে বনভোজৰ সোঁৱাদকণ ল'বলৈ ঠাই লৈছিল কৈশোৰ অতিক্ৰমি সদ্য যৌৱনত ভৰি দিয়া কেইটিমান ল'ৰাই। সংগীতৰ লগে লগে আৰম্ভ হৈছিল নৃত্যৰ উদ্দামতাও। নাচাওঁ বুলিও বাৰে বাৰে চকুযুৰি গুচি গৈছিল তালৈ। সকলোৱে নাচিছিল, কিন্তু তাৰ মাজৰে ৰঙা টি শ্বাৰ্ট পিন্ধা ল'ৰাটো যে— তাৰ গাত যেন কোনোবা নৃত্যৰ দেৱতাই ভৰ কৰিছিল। শালীনতাৰ পৰিধিৰ মাপ কিমান নাজানো। কিন্তু যিয়েই সিফালেৰে পাৰ হৈ গৈছিল, সিয়েই নাক কোঁচাই দিছিল। আমাৰ ওভতনি যাত্ৰাতো মনৰ মাজত সেইখন ছবিয়েই খেলা কৰি আছিল। বিশেষকৈ সেই ৰঙা টি শ্বাৰ্ট পিন্ধা ল'ৰাটোৰ ছবিখন। তাৰ নৃত্যত যি উদ্দামতা, সেয়া জানো বিকৃতিৰে নামান্তৰ নাছিল! সেই মুহূৰ্তত মনত আন এক ভাবেও ক্ৰিয়া কৰি গ'ল। কি দুৰন্ত আছিল তাৰ দেহ সঞ্চালনাৰ কৌশল! সাংগীতিক লহৰৰ এটি মাত্ৰ নিৰ্দেশত সমগ্ৰ দেহত সৃষ্টি কৰিছিল ভুঁইকঁপৰ জোকাৰণি। কোনোবা ক্ষণত হঠাতে দেহৰ অৰ্দ্ধেক অংশ শিল হৈ পৰিছিল, বাকীছোৱাত যেন অনুভূত হৈছিল মলয়াৰ ৰিব্ ৰিব্ বা। ভৰি দুখনে যেন পাইছিল সৰীসৃপৰ ছন্দ। কাৰ্যতঃ যেন প্ৰতিভাৰ বিস্ফোৰণ ঘটিছিল তাত। অথচ সকলোৱে বাৰে সেয়া অদেখা হৈ ৰ'ল। দৃশ্যমান হ'ল মাথোঁ তাৰ বিকৃতি। সভ্যতাই ছানি পেলোৱা আমাৰ চকুবোৰে শামুকৰ পেটত মাণিক বিচাৰিবলৈ সাজু নহ'ল। সেয়েহে এখনো সহায়ৰ হাত আগবাঢ়ি নাহিল তাৰ সেই দুৰন্ত প্ৰতিভাক সুস্থ আৰু সংগঠিত ৰূপ দিবলৈ। বোকাৰ মাজত ফুলি উঠা এপাহ পদুম আছিল সি, যি হয়তো কিছুদিন পিছত সম্পূৰ্ণৰূপে বোকাতেই নিমজ্জিত হৈ পৰিব।

### ঘটনাক্ৰম ঃ দুই

বিশাল খেলপথাৰখনৰ চাৰিওফালে থকা শাৰী শাৰী ঘৰবোৰৰ কোনোবা এটি ঘৰৰ খিৰিকীৰ আইনাখন ঠন্ ঠন্ শব্দ কৰি ভাগি পৰিল। লগে লগে খেলপথাৰত খেলি থকা ল'ৰাবোৰে উৰ্দ্ধশ্বাসে নিজা নিজা ঘৰলৈ লৰ মাৰিলে। মুহূৰ্ততে খেলপথাৰখন শূন্য হৈ পৰিল। খিৰিকী ভগা ঘৰটোৰ গৰাকী বৰুৱাই খঙত ৰঙা-চিঙা পৰি হাতত এছাৰি এডাল লৈ শূন্য খেলপথাৰখনৰ চাৰিওফালে চালে। তাৰ পিছত পোনেই খোজ ল'লে এটা নিৰ্দিষ্ট ঘৰলৈ। তেওঁ নিশ্চিত, এই কাম কাৰ হ'ব পাৰে। খন্তেক পিছতে দেখা গ'ল ৰিতুলৰ দেউতাকে কাণত ধৰি চোঁচৰাই লৈ আনিছে তাক ঘৰৰপৰা। পাছে পাছে এছাৰি জোকাৰি জোকাৰি বৰুৱা। যি ঠাইত কিছু সময় আগতে ৰিতুলে বেটিং কৰি আছিল, সেই ঠাইতে তাক কাণত ধৰি আঁঠু কঢ়াই দিয়া হ'ল। ৰিতুলৰ সমনীয়া কেইটাৰ মাক-দেউতাকে এইমাত্ৰ দৌৰি আহি ঘৰত সোমোৱা কেইটাক উদ্দেশ্যি তৰ্জন-গৰ্জন কৰি উঠিল। সেই তৰ্জন-গৰ্জনৰ মাজতো সিহঁতে খিৰিকীৰ পৰ্দা দাঙি খেল পথাৰলৈ চালে। তাৰপৰা বৰুৱা খুৰা, ৰিতুলৰ দেউতাকহঁতক সৰু সৰু দেখাইছিল। সিহঁতে ভাবিলে, 'বাঃ ৰিতুলেতো কম ডাঙৰ ছিক্সাৰ মৰা নাছিল!' আজিয়েই নহয়, প্ৰায়ে সি এনেধৰণৰ ছিক্সাৰ মাৰে। সেয়েহে সিহঁতৰ সকলোৱে নিজৰ দলত তাক ৰাখিবলৈ হেতা-ওপৰা লাগে। ৰিতুলৰ সেই ছিক্সাৰৰ কোবত ক'লনীৰ প্ৰায়বোৰ মানুহেই ইতিমধ্যে অতিষ্ঠ হৈ পৰিছিল। কাৰোবাৰ যদি খিৰিকীৰ আইনা ভাগিছিল, কাৰোবাৰ ফুলৰ টাব। কাৰোবাৰ আকৌ সুন্দৰকৈ ধুই-মেলি ৰ'দত শুকাবলৈ দিয়া কাপোৰত সৃষ্টি হৈছিল বিচিত্ৰ নক্সা। অতিষ্ঠ সেই মানুহ জাকৰ সকলোবোৰে নিজৰ নিজৰ ঘৰৰ পৰাই ৰিতুলক প্ৰদান কৰা শাস্তিত সমৰ্থন জনালে। কিন্তু তেওঁলোকৰ মাজৰ কোনোৱে এই কথা মন নকৰিলে যে কণমানি সেই হাত দুখনেৰে মাৰি পঠিওৱা ছিক্সাৰবোৰ ছেৱাগে মাৰি পঠিওৱা ছিক্সাৰবোৰৰ দূৰত্বতকৈ হয়তো অকণমানহে কম আছিল।

### ঘটনাক্ৰম ঃ তিনি

আমি কলেজত পঢ়ি থকা দিনৰ কথা। আমাৰ সন্মুখৰে জিঅ'লজী ডিপাৰ্টমেণ্টত জুমি নামেৰে এজনী ছোৱালী আছিল। আমাৰ ডিপাৰ্টমেণ্টৰ সন্মুখেৰে তাই পাৰ হৈ গ'লেই আমাৰ বন্ধু এজনে গীত জুৰে, 'জুমি জুমি, চোৱা তুমি...।' লগে লগে আমাৰ গিৰ্জনি মৰা হাঁহি। আমাৰ চকুত সেই বন্ধু হিৰ' হৈ গ'ল। লগে লগে তাৰো সংগীতৰ কচৰতো দিনক দিনে বাঢ়ি গ'ল। এদিন ছোৱালীজনী অতিষ্ঠ হৈ পৰি উভতি ধৰিলে। বন্ধুক উদ্দেশ্যি কটাক্ষ কৰি ক'লে, 'ইমানেই যদি গীত গোৱাৰ চখ, ৰেডিঅ' বা টিভিত গৈ ট্ৰাই নকৰা কিয়?' ছোৱালীজনীয়ে যে এনেকৈ ওভতাই ধৰিব, বন্ধুৱে ভাবিব পৰা নাছিল। সি থত্ মত্ খাই গ'ল। ওভতাই আৰু একো উত্তৰ দিব নোৱাৰিলে। আমি সেই ভাগে তাপ মাৰিলো। সেইদিনাৰেপৰা বন্ধুৰ সংগীত চৰ্চাৰো সামৰণি পৰিল। আজি সেই বন্ধু নিজৰ জীৱন-জীৱিকাক লৈ অতিশয় ব্যস্ত। কলেজৰ সেই ঘটনাটোৰ কথা মনত পৰিলেই আপোনা-আপুনি যেন কাণলৈ ভাহি আহে সি গোৱা গানটো। সঁচাকৈয়ে অতি সুললিত কণ্ঠৰ অধিকাৰী আছিল সি। সেই কথা তেতিয়া আমাৰ কাৰো মন কৰিবই নহ'ল। সেই সময়ত যদি কোনোবা এখন অদৃশ্য হাতে আহি তাৰ হাতত ধৰি ক'লেহেঁতেন, 'আহা, নিজকে এগৰাকী কণ্ঠশিল্পী হিচাপে গঢ়ি তোলাহি', তেতিয়া হয়তো বন্ধুৰ আজিৰ এই জীৱন সম্পূৰ্ণ অন্য এটা দিশে ধাৱিত হ'লহেঁতেন।

জীৱন বাটত আগবাঢ়োতে যদি এবাৰ ওপৰে ওপৰেও চকু ফুৰাই চাওঁ, তেতিয়া দেখিম যে অগণন এনে জ্যোতিষ্ক পপীয়া তৰা হৈ ভূ-লুণ্ঠিত হৈ পৰি আছে। অথচ সেই প্ৰতিগৰাকীৰ মাজতে নিহিত হৈ আছিল সম্ভাৱনাৰ এক অফুৰন্ত আকৰ। প্ৰতিগৰাকীয়ে বহন কৰিছিল উজলি উঠাৰ ক্ষমতা। সামান্য এক ফিৰিঙতিয়েই হয়তো ঘটাব পাৰিলেহেঁতেন প্ৰতিভাৰ বিস্ফোৰণ। কিন্তু তাৰ একাংশ যেন বিপথে চালিত হ'ল। সেই প্ৰক্ৰিয়া এতিয়াও যেন চলি আছে নিৰন্তৰ। প্ৰতিভাৰ অপব্যয় ঘটিছে ব্যাপক হাৰত। কোনেও নিজকে বিচাৰি চাবলৈ চেষ্টা কৰা নাই। কোনেও সঠিক পথ এটা দেখুৱাই দিয়াৰ উৎসাহ বা দায়িত্ব অনুভৱ কৰা নাই। ফলত নিতৌ খহি পৰিছে হাজাৰে-বিজাৰে জ্যোতিষ্ক পপীয়া তৰা হৈ।

ইয়াৰ বাবে দায়ী কৰিব পাৰি সুদূৰলৈ দৃষ্টি নিব নোৱাৰা আমাৰ সমাজ-ব্যৱস্থাক। বেয়াখিনি ঘোঁকটি-ঘোঁকটি চাবলৈ আমি যিমান সময় ব্যয় কৰো, তাৰ অৰ্দ্ধেক সময়ো ব্যয় নকৰো বেয়াৰ মাজতে থকা ভালখিনি বিচাৰি উলিয়াবলৈ। সেয়েহে চুবুৰিৰ প্ৰতিজন মানুহৰ অবিকল কাৰ্টুন আঁকি ৰাস্তাৰ দেৱালত মৰা ল'ৰাটোৰ হাতৰ পৰা তুলিকাডাল কাঢ়ি আনি তাৰ দুষ্কৰ্মৰ যথোপযুক্ত শাস্তি দিয়েই সকলোৱে নিজৰ দায়িত্বৰ সামৰণি পেলায়। কাৰো ভাবিবলৈ আহৰি নাথাকে তাৰ মাজত লুকাই থকা চিত্ৰশিল্পী এজনৰ সম্ভাৱনাৰ কথা। কোনেও দেখিবলৈ নাপায় প্ৰেমত পৰা কিশোৰজনে প্ৰেয়সীলৈ পঠিওৱা চিঠিবোৰত ঠাহ খাই থকা শব্দৰ ভাস্কৰ্যবোৰক, কবিতাৰ স্তূপবোৰ। সিহঁত হৈ পৰে ফুকলীয়াতে পকি উঠা কিছু বিপথগামী চৰিত্ৰ।

ফোন ঃ ৯৮৫৪০১৮১১৭